**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত অংশ লৈছে।

২। কোভিড-১৯ মহামাৰীৰ সময়ত ডমিনিকালৈ আগবঢ়োৱা অৱদান তথা ভাৰত আৰু ডমিনিকাৰ মাজৰ অংশীদাৰিত্ব শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভূমিকাৰ স্বীকৃতি স্বৰূপে ডমিনিকাই শ্ৰী মোদীলৈ দেশখনৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় বঁটা আগবঢ়াইছে।

৩। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত ৪৩ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা উদ্বোধন কৰে।

৪। দক্ষিণ প্ৰশান্ত মহাসাগৰৰ ছ'ল'মন দ্বীপপুঞ্জৰ সমীপত বিজ্ঞানীসকলে বিশ্বৰ সৰ্ববৃহৎ প্ৰবাল আৱিষ্কাৰ কৰিছে।

আৰু

৫। মহিলাৰ এছিয়ান হকী চেম্পিয়নছ ট্ৰফীত ভাৰত আজি থাইলেণ্ডৰ বিৰুদ্ধে তৃতীয়খন খেলত অৱতীৰ্ণ হ'ব।

০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত অংশ লৈছে। শ্ৰী মোদীয়ে প্ৰথমে ছত্ৰপতি ছম্ভাজি নগৰ আৰু পানৱেলত নিৰ্বাচনী সমদলত অংশগ্ৰহণ কৰে। তেওঁ লগতে মুম্বাইৰ ছত্ৰপতি শিৱাজী উদ্যানত এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীত মহাযুটি মিত্ৰজোঁটৰ সকলো নেতাই অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। ইফালে, কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি ধাৰাশিৱ, ছোলাপুৰ আৰু ছাংলিত ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব। ইপিনে, বিৰোধী তথা কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি নান্দুৰবাৰ আৰু নান্দেৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

০০০০০০০০০

ডমিনিকাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ দেশখনৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় বঁটা আগবঢ়াইছে। কোভিড-19 মহামাৰীৰ সময়ত ডমিনিকালৈ আগবঢ়োৱা অৱদান তথা ভাৰত আৰু ডমিনিকাৰ মাজৰ অংশীদাৰিত্ব শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভূমিকাৰ স্বীকৃতি স্বৰূপে এই বঁটা আগবঢ়োৱা হৈছে। গায়ানাৰ জৰ্জ টাউনত ১৯ৰ পৰা ২১ নৱেম্বৰলৈ হ'বলগীয়া ভাৰত-কেৰিকম সন্মিলনত কমনৱেল্থ অব্ ডমিনিকাৰ ৰাষ্ট্ৰপতি ছিলভানী বাৰ্টনে শ্ৰী মোদীক এই বঁটা প্ৰদান কৰিব। ডমিনিকাৰ প্ৰধানমন্ত্ৰী কাৰ্যালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি ২০২১ চনৰ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী মোদীয়ে ডমিনিকালৈ আষ্ট্ৰাজেনেকা ক'ভিদ-19 প্ৰতিষেধকৰ ৭০ হাজাৰ পালি প্ৰেৰণ কৰিছিল। এই বঁটাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ডমিনিকাৰ স্বাস্থ্য, শিক্ষা আৰু তথ্য-প্ৰযুক্তি খণ্ডলৈ ভাৰতে আগবঢ়োৱা সমৰ্থনৰ লগতে জলবায়ু স্থিতিস্থাপকতা গঢ়ি তোলা তথা গোলকীয় পৰ্যায়ত বহনক্ষম উন্নয়নৰ প্ৰসাৰৰ ক্ষেত্ৰত শ্ৰী মোদীৰ ভূমিকাক প্ৰতিফলিত কৰিছে। দেশখনৰ প্ৰধানমন্ত্ৰী ৰুছভেল্ট স্কেৰিটে কয়, যে এই বঁটা হৈছে ডমিনিকাৰ সৈতে বিভিন্ন ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীৰ সংহতিৰ প্ৰতি দেশখনৰ কৃতজ্ঞতাৰ প্ৰকাশ। শ্ৰী মোদী ডমিনিকাৰ এগৰাকী সঁচা বন্ধু বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী স্কেৰিটে কয়, যে শ্ৰী মোদীৰ সমৰ্থনৰ বাবে দেশখনৰ এই সৰ্বোচ্চ সন্মান তেওঁলৈ আগবঢ়াবলৈ পোৱাটো অতি সন্মানৰ বিষয়।

০০০০০০০০০

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায় সমাপ্ত হোৱাৰ পাছত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। এন ডি এ আৰু আই এন ডি আই মিত্ৰজোঁটৰ নেতাসকলে বিভিন্ন অঞ্চলত প্ৰচাৰ কাৰ্যসূচীত ভাগ লৈছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গিৰিডি, গান্দে আৰু বোকাৰুত তিনিখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। আনহাতে, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে ধানবাদ, বোকাৰু আৰু বাৰ্মোত প্ৰচাৰ সভাত

ভাগ ল'ব। ঝাৰখণ্ড মুক্তি মৰ্চাৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে দেওঘৰ, ডাম্‌কা আৰু বোকাৰুত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। ৰাজ্যখনত ২০ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ২৩ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

000000000

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত ৪৩ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা উদ্বোধন কৰে। এই বাণিজ্য মেলাৰ সুযোগতে কেন্দ্ৰীয় কয়লা আৰু খনি বিভাগৰ মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে খনি মন্ত্ৰালয়ৰ এটা পেভিলিয়ন মুকলি কৰে। আকাশবাণীৰ বাতৰিৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত ভাৰত বাণিজ্য প্ৰসাৰ সংস্থাৰ উপদেষ্টা শংকৰা নন্দ ভাৰতীয়ে কয়, যে এইবাৰৰ মেলাৰ বিষয়বস্তু হৈছে - '২০৪৭ চনত বিকশিত ভাৰত'। তেওঁ লগতে এইবাৰৰ মেলাত ঝাৰখণ্ডক বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে বুলি প্ৰকাশ কৰে। এই আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলাত এইবাৰ বিহাৰ আৰু উত্তৰ প্ৰদেশে অংশীদাৰী ৰাজ্য হিচাপে ভাগ লৈছে।

আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি ১৪ দিনীয়াকৈ আয়োজন কৰা এই বাণিজ্য মেলাত চীন, ইজিপ্ত, ইৰাণ, দক্ষিণ কোৰিয়া, থাইলেণ্ড, তুৰস্ক, সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰকে ধৰি ভালেমান দেশে অংশগ্ৰহণ কৰিছে। আজিৰেপৰা ১৮ তাৰিখলৈ ব্যৱসায় বাণিজ্যৰ বাবে এই মেলা খোলা থাকিব। জনসাধাৰণে ১৯ৰ পৰা ২৭ নৱেম্বৰলৈ বাণিজ্য মেলালৈ যাব পাৰিব।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিহাৰৰ জামুইত জনজাতীয় গৌৰৱ দিৱসত অংশগ্ৰহণ কৰিব। এই দিৱসৰ জৰিয়তেই ভগৱান বীৰছা মুণ্ডাৰ ১৫০ সংখ্যক জন্ম বাৰ্ষিকী উদযাপনৰ শুভাৰম্ভ কৰা হ'ব। কাইলৈ পুৱা শ্ৰী মোডীয়ে ভগৱান বীৰছা মুণ্ডাৰ সন্মানত এটা স্মাৰক মুদ্ৰা আৰু ডাক টিকট উন্মোচন কৰিব। ইয়াৰ উপৰিও তেওঁ অঞ্চলটোৰ গ্ৰাম্য আৰু দুৰ্গম অঞ্চলৰ জনজাতীয় লোকসকলৰ উন্নয়ন আৰু আন্তঃগাঁথনি উন্নীতকৰণৰ লক্ষ্যৰে ৬,৬৪০ কোটি টকাৰো অধিক মূল্যৰ একাধিক উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

000000000

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

0000000

দক্ষিণ প্ৰশান্ত মহাসাগৰৰ ছ'ল'মন দ্বীপপুঞ্জৰ সমীপত বিজ্ঞানীসকলে বিশ্বৰ সৰ্ববৃহৎ প্ৰবাল আৱিষ্কাৰ কৰিছে। এখন ফুটবল পথাৰৰ সমান আয়তনৰ এই বৃহৎ প্ৰবাল ডোখৰৰ বয়স তিনিশ বছৰৰো অধিক বুলি বিজ্ঞানীসকলে ঠাৱৰ কৰিছে। বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰবালৰ সমষ্টি এই বৃহৎ প্ৰবাল খণ্ডটো এই বছৰ অক্টোবৰ মাহত চলোৱা এটা অভিযানকালত আৱিষ্কৃত হয়। গভীৰ সমুদ্ৰৰ উষ্ণতা বৃদ্ধিকে ধৰি বিভিন্ন প্ৰতিকুল পৰিস্থিতিৰ মাজতো বৰ্তি থকা এই প্ৰবালখণ্ডৰ গৱেষণাৰ জৰিয়তে পৃথিৱীৰ উৎপত্তি আৰু সমুদ্ৰৰ গঠন সম্পৰ্কে বহু নতুন তথ্য আহৰণ কৰিব পৰা যাব বুলি বিজ্ঞানীসকলে আশা প্ৰকাশ কৰিছে।

00000000

আজি শিশু দিৱস। দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনটো প্ৰতিবছৰে শিশু দিৱস হিচাপে পালন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি দেশৰ বিভিন্ন প্ৰান্তৰ অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেল-ধেমালিৰ লগতে বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনত তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিশু দিৱস উপলক্ষে কণ কণ শিশুসকলক শুভেচ্ছা জনাইছে।

ooooo

বিহাৰৰ ৰাজগীৰত চলি থকা মহিলাৰ এছিয়ান হকী চেম্পিয়ন্‌ছ ট্ৰফীত যোৱাবাৰৰ বিজয়ী ভাৰত আজি বিয়লি থাইলেণ্ডৰ বিৰুদ্ধে তৃতীয়খন খেলত অৱতীৰ্ণ হ'ব। ভাৰতে প্ৰথমখন খেলত মালয়েছিয়াক ৪-০ গ'লত আৰু দ্বিতীয়খন খেলত দক্ষিণ কোৰিয়াক ৩-২ গ'লত পৰাজিত কৰিছিল। প্ৰতিযোগিতাৰ আজিৰ আন দুখন খেলত দক্ষিণ কোৰিয়াই মালয়েছিয়াৰ বিৰুদ্ধে আৰু আনখন খেলত জাপানে চীনৰ বিৰুদ্ধে খেলিব।

oooooooo

বেডমিণ্টনত কুমামোটো মাষ্টাৰ্ছ জাপান ২০২৪ৰ মহিলাৰ একক প্ৰি কোৱাৰ্টাৰ ফাইনেলত দুবাৰকৈ অলিম্পিক পদক বিজয়ী ভাৰতৰ পি ভি সিন্ধু কানাডাৰ মিছাইল লীৰ হাতত ২১-১৭, ১৬-২১, ১৭-২১ গেমত পৰাস্ত হয়। আন এগৰাকী ভাৰতীয় বেডমিণ্টন খেলুৱৈ লক্ষ্য সেন মালয়েছিয়াৰ লিয়ং জুন হাওৰ হাতত ২২-২০, ১৭-২১, ১৬-২১ গেমত পৰাস্ত হয়।

ooooooooo

সমাপ্ত